

*গোমাৰীত আন্তঃশস্য হিচাপে টৰিয়া*

## সক্ৰিয় সহযোগিতা আৰু অংশীদাৰীত্বৰ বাবে আমন্ত্ৰণ

- **চৰকাৰী বিভাগৰ বাবে**

  ৰাজ্যখনলৈ বিনিয়োগৰ সুযোগ অনা, ৰাজহৰ উৎস আৰু স্থানীয় নিয়োগ সৃষ্টি, ৩৩ শতাংশ বৃক্ষ আৱৰণৰ ৰাষ্ট্ৰীয় লক্ষ্যত উপনীত হোৱা, কাৰ্বন নিষ্কাশনৰ জৰিয়তে জলবায়ু পৰিৱৰ্তন লাঘৱ কৰা, আৰু SDG বাস্তৱায়িত কৰা।

- **কৃষক আৰু বনাঞ্চলৰ কাষৰীয়া সমাজসমূহৰ বাবে**

  কৃষিভিত্তিক উপাৰ্জন আৰু বৈকল্পিক জীৱিকাৰ ক্ষেত্ৰত উপলব্ধ বিকল্পসমূহৰ পৰিপূৰক, মূলধন আৰু মান সম্পন্ন বীজৰ উপলব্ধতা, মূল্য সংযোজন আৰু বজাৰ সংযোগৰ বাবে প্ৰৱেশাধিকাৰ তথা সুবিধা বিকশিত কৰি তোলা।

- **উদ্যোগসমূহৰ বাবে**

  কৃষিবনানীকৰণ আধাৰিত অৰ্থনীতিৰ জৰিয়তে ৰাজহ বৃদ্ধি কৰা, জলবায়ু-সহনশীল প্ৰযুক্তিত বিনিয়োগ কৰা আৰু কাঠআধাৰিত উদ্যোগৰ প্ৰসাৰৰ বাবে ৰাজহুৱা-ব্যক্তিগত অংশীদাৰীত্ব বিকশিত কৰাৰ সম্ভাৱনাত সক্ৰিয় ভাৱে অৰিহণা যোগোৱা।



*ফটো ক্ৰেডিট:*
*পুষ্কল বাগচী,*
*চিআইএফঅ'আৰ-কৃষিবন*

# অসমত
# কৃষি-বনানীকৰণৰ অগ্ৰগমণ



## জীৱিকা সুৰক্ষা আৰু প্ৰাকৃতিক অৰ্থনীতি বৰ্ধনৰ লক্ষ্যৰে


**অসম কৃষিবনানীকৰণ উন্নয়ন পৰিষদ**

৪ৰ্থ মহলা, অসম জল কেন্দ্ৰ,
বশিষ্ঠ চাৰিআলি, গুৱাহাটী, কামৰূপ(মহানগৰ), পিন -৭৮১০২৯
ৱেবচাইট: http://aadb.assam.gov.in/
ইমেইল: assam.agroforestry@gmail.com
ফোন নং: 0361-2333252

## পটভূমি

সমৃদ্ধিশালীজৈৱ-সাংস্কৃতিক বৈচিত্ৰ্যৰ বাবে অসম বিশ্ব-ব্যাপী বিখ্যাত। অ-বনভূমিভিত্তিক বনানীকৰণ অধিক প্ৰসাৰিত কৰাৰ লগতে কৃষকৰ আয় দুগুণ কৰিবলৈ অসম চৰকাৰে নিজৰ পৰিৱেশতন্ত্ৰ আৰু জনগোষ্ঠীসমূহক সুৰক্ষিত কৰি জলবায়ু সহনশীল আৰু বহনক্ষম কৰি তোলাৰ বাবে বিভিন্ন পদক্ষেপ/প্ৰকল্প ৰূপায়ণ কৰি আছে। তেনে এক পদক্ষেপ হৈছে ৰাষ্ট্ৰীয় কৃষিবনানীকৰণ নীতি ২০১৪ অনুসৰি একভূমিগত-ব্যৱহাৰ প্ৰণালী হিচাপে সংজ্ঞায়িত কৰা কৃষিবনানীকৰণ ব্যৱস্থা, যিয়ে উৎপাদনশীলতা, লাভ, বৈচিত্ৰ্যতা আৰু পৰিৱেশতন্ত্ৰৰ স্থিৰতা বৃদ্ধি কৰাৰ বাবে কৃষিভূমি আৰু গ্ৰাম্যক্ষেত্ৰত গছ আৰু জোপোহাক একত্ৰিত কৰে।

## অসম কৃষিবনানীকৰণ উন্নয়ন পৰিষদৰ বিষয়ে

কৃষিবনানীকৰণ আধাৰিত অৰ্থনৈতিক সুযোগ প্ৰদান কৰি বনাঞ্চলৰ আৱৰণ বৃদ্ধি, গ্ৰাম্য নিয়োজন আৰু গ্ৰাম্য উন্নয়নৰ বৃদ্ধিৰ প্ৰতি অধিক সমৰ্থন আগবঢ়োৱাৰ বাবে, অসম চৰকাৰে ২২ জুন ২০২২ তাৰিখে কোম্পানী আইনৰ অধীনত অসম কৃষিবনানীকৰণ উন্নয়ন পৰিষদ (AADB)ক Section 8 Company হিচাপে পঞ্জীয়ন কৰে। সকলো কৰ্প'ৰেট আৰু ব্যক্তিগতখণ্ডৰ নেতৃত্বত যি কোনো কাৰ্য্যকলাপ সমৰ্থন কৰিবৰ বাবে এএডিবি CSR 1 ৰ অনুসৰণকাৰীও।

## প্ৰাথমিক উদ্দেশ্য

- শস্য আৰু পশুধনৰ সৈতে পৰিপূৰক আৰু সংহত পদ্ধতিৰে বৃক্ষৰোপণক উৎসাহিত আৰু সম্প্ৰসাৰণ কৰি গ্ৰাম্য পৰিয়াল বিশেষকৈ ক্ষুদ্ৰকৃষকৰ উৎপাদনশীলতা, কৰ্মসংস্থাপনৰ সুযোগ, আয়ৰ সৃষ্টি আৰু জীৱিকাৰ উন্নতি সাধন কৰা।
- বীজ, পুলি, ক্ল'ন, হাইব্ৰিড, উন্নতজাত আদিৰ দৰে গুণগত মানৰ ৰোপণ সামগ্ৰীৰ উপলব্ধতা নিশ্চিত কৰা।
- লক্ষ্য প্ৰজাতিৰ বাবে ৰাজ্যৰ ভিতৰত বিভিন্ন কৃষিপৰিৱেশ অঞ্চল আৰু ভূমি ব্যৱহাৰৰ অৱস্থাৰ বাবে উপযোগী বিভিন্ন কৃষিবনানীকৰণপদ্ধতি/মডেল জনপ্ৰিয় কৰা।
- নিশ্চিত বজাৰ যোগান শৃংখল, পৰ্যাপ্ত মূল্য নিৰ্ধাৰণ, বজাৰৰ উপলব্ধতা, উৎসত মূল্য সংযোজন আৰু অৰ্থনৈতিক লাভ আৰু সেউজ জীৱিকাৰ পৰিপূৰক হিচাপে নীতি সংস্কাৰ নিশ্চিত কৰিবলৈ কাঠভিত্তিক উদ্যোগসমূহৰ বাবে এক অনুকূল ব্যৱসায়িক পৰিৱেশ সৃষ্টি কৰা।
- বনাঞ্চলৰ কাষৰীয়া গাঁওসমূহত গছ-গছনি/ গছভিত্তিক অৰ্থনীতিৰ প্ৰসাৰৰ লগতে সেউজ অৰ্থনীতি আৰু বহনক্ষম উন্নয়নৰ লক্ষ্যৰ ৰাষ্ট্ৰীয় আৰু গোলকীয় লক্ষ্যক সমৰ্থন কৰি ৰাজ্যত মানৱ-পশুৰ সংঘাত হ্ৰাস কৰা।





## অসমত কৃষিবনানীকৰণৰ সুযোগ

অসমৰ কৃষিবনানীকৰণ পদ্ধতিয়ে পৰিৱেশ আৰু অৰ্থনৈতিক লাভৰ সংমিশ্ৰণ ঘটাই ভূমিব্যৱস্থাপনাৰ এক বহনক্ষম পদ্ধতি আগবঢ়ায়। অসমৰ গাঁও সমূহত পৰম্পৰাগত অৰণ্যৰ বাহিৰত বনানীকৰণ (TOF) বা কৃষিবনানীকৰণ ব্যৱস্থাক বাৰী বুলি জনা যায় যিয়ে বিভিন্ন ধৰণৰ ফল-মূল, শাক-পাচলি, বনৌষধি আৰু কেতিয়াবা সৰু পশুধন বা মাছ যোগান ধৰি সুষম খাদ্য আৰু খাদ্য সুৰক্ষাত অৰিহণা যোগায়। ২৫টাতকৈও অধিক বিভিন্ন পৰম্পৰাগত কৃষিবন ব্যৱস্থা বা বাৰীৰ তথ্য পোৱা গৈছে যি বৰ্তমান অসমৰ গ্ৰাম্য অঞ্চলত কাৰ্যকৰী হৈ আছে। ইয়াৰ উপৰিও চৰকাৰে অসমত অৰণ্যৰ বাহিৰত বনানীকৰণ(বহনক্ষম ব্যৱস্থাপনা) নিয়ম ২০২২ জাৰি কৰে য'ত ৫৭টাতকৈও অধিক সাধাৰণতে উৎপাদিত আৰু বাণিজ্যিকভাৱে গুৰুত্বপূৰ্ণ গছপ্ৰজাতিক ৰাজ্যৰ ভিতৰত কাটিব পৰা আৰু ট্ৰেনজিট অনুমতিৰ পৰা ৰেহাই দিয়া হৈছে।

## এএডিবি (AADB)ৰ সম্প্ৰতি চলিত কাৰ্য্যকলাপসমূহ

- অমৃতবৃক্ষ্য আন্দোলন (ABA)- ১কোটিৰো অধিক বাণিজ্যিক প্ৰজাতিৰ পুলি ৰোপণ আৰু গছভিত্তিক অৰ্থনীতিৰ প্ৰসাৰৰ বাবে এক বৃহৎ ৰাজহুৱা অভিযানক সমৰ্থন কৰা।
- কৃষিভূমি আৰু ৰাজহভূমিত অৰণ্যৰ বাহিৰত বনানীকৰণ আৰু Captive বনানীকৰণৰ প্ৰসাৰ।
- নুমলীগড় জৈৱ-শোধনাগাৰত ভৱিষ্যতে জৈৱ-ইন্ধন হিচাপে ব্যৱহাৰৰ বাবে বৃহৎ পৰিমাণৰ বাঁহ উৎপাদন কৰিবলৈ ৩খন বাঁহ নাৰ্চাৰী স্থাপন কৰা।
- গুণগত ৰোপণ সামগ্ৰী উৎপাদনৰ বাবে ক্ষুদ্ৰ, মজলীয়া আৰু উচ্চপ্ৰযুক্তিৰ নাৰ্চাৰী স্থাপন কৰি অসমত ৰাষ্ট্ৰীয় কৃষি বিকাশযোজনা (RKVY) ৰ কৃষিবনানীকৰণ আঁচনি ৰূপায়ণ কৰা।
- অসমত জলবায়ু সহনশীল ব্ৰহ্মপুত্ৰ সংহত বান আৰু নদীপাৰ খহনীয়া সংকট ব্যৱস্থাপনা কাৰ্য্যসূচী (CRBIFRERMP)ৰ এটি ৰূপায়ণ সংস্থা হিচাপ কৃষিবনানীকৰণ তথা সামূহিক জীৱিকাসমৰ্থনমূলক হস্তক্ষেপৰ জৰিয়তে প্ৰকৃতি-আধাৰিত সমাধান গ্ৰহণ।
- ভাৰতৰ জলবায়ু ভিত্তিক লক্ষ্য, বিশেষকৈ ৰাষ্ট্ৰীয়ভাৱে নিৰ্ধাৰিত অৱদান (এনডিচি)ৰসৈতেসংগতি ৰাখি অসমৰ বাবে এখন কাৰ্বন বজাৰৰ পৰিকাঠামো স্থাপন কৰা।


বাৰীত আগৰু